# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

## MA 1st Sem. Examination, 2014

## পাঠ্যবিষয় ঃ প্ৰথম

## অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদিৰ পৰা মধ্য যুগলৈ)

সময় ঃ ৩ ঘণ্টা | মুঠ নম্বৰ ঃ ৮০

১। নিম্নলিখিত প্ৰশ্নবোৰৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব) ২×৫ = ১০

(ক) লোকভাষা কাক বোলে — চমুকৈ লিখক।

(খ) ৰাম সৰস্বতীক 'অসমীয়া ব্যাস' কিয় বোলা হয়?

(গ) 'পাঁচালী সাহিত্য' মানে কি বুজা যায়?

(ঘ) 'কথা ৰামায়ণ' সম্পৰ্কে এটি টোকা লিখক।

(ঙ) 'উষা-পৰিণয়' সম্পৰ্কে চমুকৈ লিখক।

(চ) 'শূন্যপুৰাণ' সম্পৰ্কে এটি আলচ যুগুত কৰক।

(ছ) 'ব্যংগাত্মক মালিতা'ৰ সংজ্ঞা নিৰ্ণয় কৰক।

২। নিম্নলিখিত প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক (প্ৰতিটোৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব) ৪×৩ = ১২

(ক) চৰ্যাগীতসমূহৰ ভাষাক কিয় 'সন্ধ্যাভাষা' বুলি কোৱা হয়? বুজাই লিখক।

(খ) বৰগীত কোন শ্ৰেণীৰ ৰচনা? চমুকৈ লিখক।

(গ) 'গীতি ৰামায়ণ' সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

(ঘ) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজে? চমুকৈ লিখক।

(ঙ) 'সাতসৰী অসম বুৰঞ্জী' সম্পৰ্কে চমুকৈ লিখক।

৩। নিম্নলিখিত প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক (প্ৰতিটোৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব) ৬×৩ = ১৮

(ক) অসমীয়া সাহিত্যলৈ মাধৱ কন্দলিৰ অৱদান সম্পৰ্কে এটি টোকা লিখক।

(খ) 'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰক।

(গ) শংকৰদেৱৰ কাব্যসমূহ তথা অনুবাদমূলক ৰচনাসমূহৰ বিষয়ে এটি আলচ যুগুত কৰক।

(ঘ) মনকৰৰ সাহিত্য-কৃতি সম্পৰ্কে লিখক।

(ঙ) 'চৰিত সাহিত্য' মানে কি বুজে? কথা চৰিত আৰু গদ্য চৰিতৰ মাজৰ পাৰ্থক্য কি কি?

৪। নিম্নলিখিত প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক (প্ৰতিটোৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব) ১০×৪ = ৪০

(ক) মালিতা অথবা বেলাড মানে কি বুজে? ইয়াৰ সংজ্ঞা নিৰূপণ কৰি অসমীয়া মালিতাৰ ক্ষেত্ৰত তাক প্ৰয়োগ কৰি দেখুৱাওক। অসমীয়া মালিতাসমূহক কি কি শ্ৰেণীত ভাগ কৰিব পাৰি?

(খ) চৰ্যাগীতসমূহত প্ৰতিফলিত সেইকালৰ অসমৰ সামাজিক জীৱনৰ চিত্ৰৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰক।

(গ) 'ভট্টদেৱক অসমীয়া গদ্য সাহিত্যৰ জনক বুলি কোৱা হয়।'— এই বিবৃতিটোৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতি সম্পৰ্কে এটি টোকা লিখক।

(গ) অসমীয়া পাঁচালী কবিসকলৰ বিষয়ে চমুকৈ লিখক।

(ঘ) 'বুৰঞ্জী সাহিত্য' মানে কোন শ্ৰেণীৰ ৰচনাক সামৰি লোৱা হয়? এই শ্ৰেণী সাহিত্যৰ মূল বৈশিষ্ট্যসমূহ নিৰূপণ কৰি অসমীয়া সাহিত্যত ইয়াৰ স্থান নিৰ্ণয় কৰক।

(ঙ) শংকৰোত্তৰ যুগৰ নাট্য-সাহিত্য সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

** **